অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১৭/২০২৩-২৪
Ref :

তাৰিখ : ০৫-১১-২০২৩
Date :

### অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ উদ্যোগত

# চাৰিগৰাকী বিশিষ্ট ব্যক্তিলৈ অসম জাতীয় বিদ্যালয় সন্মান

## সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি, গীত-নৃত্য-অভিনয়ৰ বৰ্ণাঢ্য অনুষ্ঠান

**নুনমাটি, গুৱাহাটী, ৫ নৱেম্বৰ ঃ** অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ উদ্যোগত বিদ্যালয় প্ৰাংগণত আজি ৰাজ্যখনৰ চাৰিগৰাকী বিশিষ্ট ব্যক্তিক 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰা হয়। আজি সন্ধিয়া অনুষ্ঠিত এক বৰ্ণাঢ্য অনুষ্ঠানত 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা, বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং তেৰাং, বিশিষ্ট ভাষাতত্ত্ববিদ, সাহিত্যিক বিশ্বেশ্বৰ হাজৰিকা, এভাৰেষ্ট শৃংগ বিজয়ী প্ৰথম অসমীয়া তৰুণ শইকীয়া আৰু এভাৰেষ্ট শৃংগ বিজয়ী দ্বিতীয়গৰাকী অসমীয়া মনীষ কুমাৰ ডেকাক এই সন্মান প্ৰদান কৰা হয়। এই সন্মানত আছে বিদ্যালয়ৰ বিশেষ গামোচা, এৰী চাদৰ, গ্ৰন্থৰ টোপোলা, স্মাৰক, সম্বৰ্দ্ধনা পত্ৰ, ছবি আৰু ২৫,০০০.০০ টকাৰ একোখনকৈ চেক। এই সন্মান গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক ৰংবং তেৰাঙে অসম জাতীয় বিদ্যালয়ৰ আদৰত অভিভূত হৈ নিজকে এগৰাকী সাধাৰণ শিক্ষক বুলি মন্তব্য কৰে। কাৰ্বি পাহাৰৰ এগৰাকী সামান্য শিক্ষক বুলি নিজকে অভিহিত কৰি সাহিত্যিক গৰাকীয়ে  এই সন্মান গ্ৰহণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে এক আনন্দদায়ক অভিজ্ঞতা বুলি মন্তব্য কৰে। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক তেওঁ বিদ্যালয়খনৰ নীতি-আদৰ্শক সাৰোগত কৰি অসমীয়া সুৰদি মাত-কথাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। আনহাতে শাৰীৰিক অসুস্থতাৰ হেতু বিশিষ্ট সাহিত্যিক বিশ্বেশ্বৰ হাজৰিকাক তেওঁৰ গৃহতেই যোৱা ১ নৱেম্বৰ তাৰিখে এই সন্মান প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত হাজৰিকাদেৱৰ পত্নী লাৱণ্য হাজৰিকা উপস্থিত থাকি বিদ্যালয়খনৰ শিক্ষক-শিক্ষাৰ্থীৰ তৎপৰতা আৰু প্ৰতিভাৰ শলাগ লয়। আনহাতে অসম জাতীয় বিদ্যালয় সন্মান গ্ৰহণ কৰি এভাৰেষ্ট বিজয়ী তৰুণ শইকীয়াই এভাৰেষ্ট আৰোহণৰ ক্ষেত্ৰত অসমবাসীৰ পৰা লাভ কৰা আশীৰ্বাদৰ কথা কৃতজ্ঞতাৰে সুঁৱৰি অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক আত্মবিশ্বাস তথা নিৰন্তৰ প্ৰয়াসেৰে জীৱন বাটত আগবাঢ়ি যাবলৈ আহ্বান জনায়। অসম জাতীয় বিদ্যালয় সন্মান গ্ৰহণ কৰি এভাৰেষ্ট বিজয়ী মনীষ কুমাৰ ডেকাই পৰ্বতাৰোহণৰ কষ্টকৰ যাত্ৰাৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক ম'বাইলৰ আসক্তি পৰিহাৰ কৰি তাৰ পৰিবৰ্তে শাৰীৰিক কছৰতেৰে নিজকে সুস্থ কৰি ৰাখিবলৈ আহ্বান জনায়। কেউগৰাকী বিশিষ্ট ব্যক্তিক অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ তৰফৰ পৰা এই সন্মান প্ৰদান কৰে ন্যাসৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডাº নাৰায়ণ শৰ্মা, সদস্য মেঘালী শৰ্মা আৰু ৰূপা দত্ত চৌধুৰীয়ে। অজাবি সন্মান প্ৰদান অনুষ্ঠানৰ আৰম্ভণিতে আজিৰ দিনটোতে দেহাবসান ঘটা সুধাকণ্ঠ ডº ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে গীত-মাত-নৃত্য-অভিনয়েৰে বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্য্যসূচীও ৰূপায়ণ কৰে। আজিৰ অনুষ্ঠানটোৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী শিক্ষক বিনয় বিকাশ গগৈ।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়